জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৪/২০২৩

# ডিব্ৰুগড়ত বিভিন্ন প্ৰকল্পৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## মাইজানত জ্যেষ্ঠ নাগৰিকসকলৰ সৈতেও মত-বিনিময় কৰে মুখ্যমন্ত্ৰীয়ে

## জলসম্পদ বিভাগৰ প্ৰকল্প সহায়তা কেন্দ্ৰ তথা অতিথিশালৰ প্ৰৱেশ দুৱাৰ মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাকে ধৰি অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ৰাষ্ট্ৰীয় প্ৰৱেশিকা পৰীক্ষাৰ বাবে ৰাজ্যৰ শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি তোলাৰ উদ্দেশ্যে ৰাজ্যিক যুৱ আয়োগৰ উদ্যোগত গ্ৰহণ কৰা বিকশিত জীৱন পৰিকল্পনা শীৰ্ষক আঁচনি আৰু ডিব্ৰুগড় কোচিং চেন্টাৰৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে জীৱন পৰিকল্পনা আঁচনি অনুসৰি অসম ৰাজ্যিক যুৱ আয়োগে দেশৰ প্ৰসিদ্ধ কোচিং চেন্টাৰটো প্ৰতিষ্ঠা কৰিছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কোচিং চেন্টাৰে ডিব্ৰুগড়ৰ লগতে ইয়াৰ ওচৰ-চুবুৰীয়া জিলা ক্ৰমে শিৱসাগৰ, তিনিচুকীয়া, যোৰহাট, ধেমাজি, লক্ষীমপুৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মেডিকেল আৰু অভিযান্ত্ৰিক শাখাৰ সকলো প্ৰৱেশ পৰীক্ষা বাবে কোচিঙৰ প্ৰয়োজনীয়তা পূৰণ কৰিব। অসম ৰাজ্যিক যুৱ আয়োগে এনে ধৰণৰ এক কোচিং চেন্টাৰ তেজপুৰত গঢ়ি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ডিব্ৰুগড় কেন্দ্ৰত প্ৰায় ৬০০ গৰাকী যোগ্য ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ বাবে ৰাজ্য চৰকাৰে সহায়-সহযোগিতা আগবঢ়াব। তেওঁ আশা প্ৰকাশ কৰি কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান আৰু প্ৰজ্ঞাই সমাজলৈ প্ৰগতিৰ নতুন জোঁৱাৰ কঢ়িয়াই আনিব।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, অসম ৰাজ্যিক যুৱ আয়োগৰ অধ্যক্ষ তথা বিধায়ক তৰংগ গগৈ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ আগতে মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ৪.৪৮ কোটি টকা অৰ্থ সাহায্যৰে ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণে নিৰ্মাণ কৰি উলিওৱা বাণিজ্যিক প্ৰকল্পটো উদ্বোধন কৰে।

টাই ভাষা-কৃষ্টি-সংস্কৃতি চৰ্চা-গৱেষণা আৰু বিকাশৰ জৰিয়তে বৃহত্তৰ অসমীয়া জাতি সত্বাক অধিক উজ্জীৱিত কৰাৰ উদ্দেশ্যৰে উত্তৰ-পূব পৰিষদৰ ৩.৩৩ কোটি টকা অনুদানেৰে নিৰ্মাণ কৰা টাই

শৈক্ষিক আৰু সাংস্কৃতিক কেন্দ্ৰৰ নতুন ভৱন উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে।

ডিব্ৰুগড় জিলা সদৰত অসম চৰকাৰৰ কেবিনেট বৈঠকত অংশ লোৱাৰ পিছত জিলাখনৰ আন্তঃগাঁথনিত নৱতম সংযোজনেৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীপত নিৰ্মাণ কৰি উলিওৱা এখন পদসেতু মুখ্যমন্ত্ৰীয়ে আজি ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ডিব্ৰুগড় চহৰৰ মাইজানত অসম চৰকাৰৰ জলসম্পদ বিভাগৰ প্ৰকল্প সহায়তা কেন্দ্ৰ তথা অতিথিশালৰ প্ৰৱেশ দুৱাৰ মুকলি কৰে।

অনুষ্ঠানত কেইবাগৰাকীও কেবিনেট মন্ত্ৰী পীযুষ হাজৰীকা, অতুল বৰা, ড° ৰণোজ পেগু, চন্দ্ৰ মোহন পাটোৱাৰী, বিমল বড়া, উৰ্খাও গৌৰা ব্ৰহ্ম, অজন্তা নেওগ, নন্দিতা গাৰ্লোচা, পৰিমল শুক্লবৈদ্য, যোগেন মহন,সঞ্জয় কিষাণ, অসম ৰাজ্যিক যুৱ আয়োগৰ মাননীয় অধ্যক্ষ তথা বিধায়ক তৰংগ গগৈ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, তেৰচ গোৱালা, বিনোদ হাজৰিকা, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা প্ৰমুখ্যে অসম চৰকাৰৰ উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে আজি মাইজানত জ্যেষ্ঠ নাগৰিকসকলৰ সৈতেও মত-বিনিময় কৰে।

**হেংশঃ**
**৩০/০১/২০২৩**